# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 27-10-2025
**Time :** 21-25 Hrs

**ASSAMESE NIGHT BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

নাৰী শিক্ষাৰ ক্ষেত্ৰত যুগান্তকাৰী পদক্ষেপ হিচাপে মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনিৰ দ্বিতীয় পৰ্যায়ৰ অধীনত আজি উচ্চ শিক্ষা লাভৰ বাবে ছাত্ৰীসকলৰ মাজত চেক বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। এই উপলক্ষে সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত আয়োজিত কেন্দ্ৰীয় কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। ড° শৰ্মাই তেওঁৰ ভাষণত কয়, যে ২০২৪-২৫ বৰ্ষত এই আঁচনিৰ অধীনত এক লাখ ৬০ হাজাৰ ছাত্ৰীলৈ ১৩৩ কোটি টকা মোকলাই দিয়া হৈছে আৰু ২০২৫-২৬ বৰ্ষত ৩ লাখ ৫০ হাজাৰ ছাত্ৰীক নিযুত মইনা আঁচনিৰ সুবিধা প্ৰদানৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। তেওঁ কয়, যে উচ্চ শিক্ষা আহৰণৰ দিশত ৰাজ্যৰ ১০ লাখ কন্যা শিক্ষাৰ্থীৰ সুবিধাৰ্থে ৰাজ্য চৰকাৰে এই অভিলাষী পদক্ষেপ গ্ৰহণ কৰিছে। এই আঁচনিখনৰ জৰিয়তে মহাবিদ্যালয়ত ছাত্ৰীৰ নামভৰ্তিৰ সংখ্যা বৃদ্ধি, বাল্য বিবাহ তথা কৈশোৰ কালৰ মাতৃত্ব প্ৰতিৰোধ, প্ৰতিগৰাকী কন্যা শিশুৰ শিক্ষা, স্বাস্থ্য আৰু সুৰক্ষা সুনিশ্চিত হৈছে। তেওঁ ভাষণ প্ৰসংগত বাল্য বিবাহৰ ঘটনাৰ পৰা ৰাজ্যৰ কন্যাসকলক সম্পূৰ্ণৰূপে মুক্ত কৰাৰ দৃঢ় সংকল্পৰ কথা দোহাৰে। ইয়াৰ উপৰি ৰাজ্যত নাৰী তথা ছোৱালীৰ মৰ্যাদা ৰক্ষাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰাৰ লগতে বহু বিবাহৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও প্ৰকাশ কৰে।

০০০০

গুৱাহাটী মহানগৰীৰ দিশপুৰ আৰক্ষীয়ে আজি সংবাদ মেল সম্বোধন কৰি থকা অৱস্থাতে বীৰ লাচিত সেনা নামৰ সংগঠনটোৰ মুখ্য সচিব ৰণ্টু পানী ফুকন আৰু কেন্দ্ৰীয় সমিতিৰ সদস্য তন্ময় ফুকনক গ্ৰেপ্তাৰ কৰে। প্ৰথম অৱস্থাত সংগঠনৰ দুয়োগৰাকী নেতাক আটক কৰি আৰক্ষীয়ে দিশপুৰ থানাত সোধা-পোচাৰ অন্তত নিশালৈ গ্ৰেপ্তাৰ কৰে। উল্লেখযোগ্য যে ধন দাবী আৰু অপহৰণৰ এটা গোচৰত কালি আৰক্ষীয়ে ৮ জন যুৱকক গ্ৰেপ্তাৰ কৰিছিল আৰু ইয়াৰে ৫ জনেই বীৰ লাচিত সেনা নামৰ সংগঠনটোৰ সদস্য বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছিল। এই সন্দৰ্ভত আজি সংগঠনটোৰ নেতা দুগৰাকীয়ে সংবাদমেল সম্বোধন কৰি থকা অৱস্থাতে আৰক্ষীয়ে তেওঁলোকক আটক কৰিছিল।

ইপিনে, কালি আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা ৮ জন লোকৰ পৰা ভালেমান আপত্তিজনক সামগ্ৰী জব্দ কৰিছিল। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই সন্দৰ্ভত আজি সংবাদমাধ্যমৰ আগত কয় যে অসমক অশান্ত কৰিব পৰা কোনো শক্তিক প্ৰশ্ৰয় দিয়া নহ'ব।

বাইট ঃ মুখ্যমন্ত্ৰী

00000

অসমত এতিয়াই ভোটদাতাৰ তালিকাৰ বিশেষ বিস্তৃত সংশোধনী প্ৰক্ৰিয়া আৰম্ভ নহয়। আজি নতুন দিল্লীত মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে এখন সংবাদমেলত এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে দেশৰ ১২ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত দ্বিতীয় পৰ্যায়ৰ ভোটদাতাৰ তালিকাৰ বিশেষ বিস্তৃত সংশোধনী শীঘ্ৰে আৰম্ভ কৰা হ'ব। উচ্চতম ন্যায়ালয়ত অসমৰ এন আৰ চিৰ উন্নীতকৰণৰ প্ৰক্ৰিয়াটো বিচৰাধীন হৈ থকাৰ পৰিপ্ৰেক্ষিতত দ্বিতীয় পৰ্যায়ৰ সংশোধনী তালিকাৰ পৰা অসমক বাদ দিয়া হৈছে। তেওঁ কয় যে ভোটদাতাৰ তালিকা স্বচ্ছ আৰু ত্ৰুটিমুক্ত কৰাৰ বাবে এই ব্যৱস্থা লোৱা হৈছে। এই পৰ্যায়ত অহা ৪ নৱেম্বৰৰ পৰা চত্তিশগড়, উত্তৰ প্ৰদেশ, গোৱা, কেৰালা, পুডুচেৰী, গুজৰাট, ৰাজস্থান, পশ্চিমবংগ, লাক্ষাদ্বীপ, আন্দামান নিকোবৰ আৰু মধ্যপ্ৰদেশত এই প্ৰক্ৰিয়া ৰূপায়ণ কৰা হ'ব। অহা বছৰৰ ৭ ফেব্ৰুৱাৰীত ভোটদাতাৰ তালিকা প্ৰকাশ কৰা হব।

0000

অসম বিধানসভাৰ শীতকালীন অধিৱেশন দিশপুৰত অহা ২৫ নৱেম্বৰত আৰম্ভ হ'ব। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ ভাষণেৰে আৰম্ভ হ'বলগীয়া এইবাৰৰ অধিৱেশনত কেইবাখনো বিধেয়ক উত্থাপন কৰাৰ উপৰি গুৰুত্বপূৰ্ণ প্ৰতিবেদন দাখিল কৰা হ'ব। ৰাজ্য চৰকাৰে বিধানসভাৰ শীতকালীন অধিৱেশনত লাভ জেহাদ, বহু বিবাহৰ বিৰুদ্ধে বিধেয়ক আৰু সত্ৰৰ সংৰক্ষণ সন্দৰ্ভত কেইবাখনো বিধেয়ক উত্থাপন কৰাৰ সিদ্ধান্ত লৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ইতিমধ্যে এই বিষয়ে প্ৰকাশ কৰিছে। তদুপৰি ছয় জনগোষ্ঠীৰ জনজাতিকৰণ সন্দৰ্ভত মন্ত্ৰীগোটৰ প্ৰতিবেদনৰ লগতে নেলী হত্যাকাণ্ডক লৈ গঠন কৰা তিৱাৰী আয়োগৰ প্ৰতিবেদন বিধানসভাত দাখিল কৰা হ'ব। একেদৰে চাহ বাগিচাৰ শ্ৰমিকক ভূমিৰ অধিকাৰ প্ৰদান আৰু অসমৰ প্ৰতিখন চিকিৎসা মহাবিদ্যালয়ত চাহ বাগিচাৰ শিক্ষাৰ্থীসকলৰ বাবে ৪ খনকৈ আসন সংৰক্ষণ কৰাৰ বাবে বিধানসভাত বিধেয়ক উত্থাপন কৰা হ'ব।

0000

আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেটৰ ছেমি ফাইনেল খেলখন অহা ২৯ অক্টোবৰত গুৱাহাটীত অনুষ্ঠিত হ'ব। বি চি চিআইৰ সচিব দেৱজিৎ লন শইকীয়াই আজি এখন সংবাদমেল সম্বোধন কৰি এইকথা সদৰি কৰে। তেওঁ কয় যে ছেমি ফাইনেলৰ বাবে বৰ্ষাপাৰা ষ্টেডিয়ামত সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰা হৈছে। দক্ষিণ আফ্ৰিকা আৰু ইংলেণ্ডৰ মাজত প্ৰথমখন ছেমিফাইনেল অনুষ্ঠিত হ'ব। অসমত প্ৰথমবাৰৰ বাবে বিশ্বকাপ ক্ৰিকেটৰ ছেমিফাইনেল অনুষ্ঠিত হ'ব বুলি উল্লেখ কৰি তেওঁ কয় যে খেলখনৰ বাবে বুক মাই শ্ব'ত টিকট উপলব্ধ হৈছে।

0000

**ঃঃ সমাপ্ত ঃঃ**